ৰাজকীয় বাধানিষেধ আঁতৰাৰ পাছত আহোম ৰাজ্যত নামঘৰ প্ৰতিষ্ঠাই আন্দোলনৰ ৰূপ লয়। এই নামঘৰে একশৰণ নামধৰ্মৰ প্ৰচাৰতো কৰিলেই; লগতে এইবোৰত হোৱা চৰ্চাৰ জৰিয়তে শংকৰদেৱৰ (আৰু মাধৱদেৱৰো) ৰচনাৰ প্ৰচাৰ হ'বলৈ ধৰিলে।

আগতেই কৈ আহিছোঁ যে শংকৰদেৱৰ আগতেও এই ভূখণ্ডত অসমীয়া ভাষা-অসমীয়া সাহিত্য আছিল; মাথোঁ সেইবোৰৰ চৰ্চা আৰু পাঠ সাৰ্বজনীন নাছিল, সৰ্বসাধাৰণে এইবোৰ ঢুকি পোৱা অৱস্থাত নাছিল। নামঘৰত হোৱা শাস্ত্ৰ চৰ্চাৰ জৰিয়তে অসমীয়া সাহিত্যৰে চৰ্চা হ'বলৈ ধৰিলে। তিনিওখন ৰাজ্যত এইদৰেই শংকৰদেৱৰ ৰচনাই এটা ভাষিক সমৰূপতা আনিলে আৰু অসমীয়া নামৰ ভাষিক জাতি এটাৰ জন্ম প্ৰক্ৰিয়াটো আৰম্ভ হ'ল।

অসমীয়া কথ্যভাষাৰ আঞ্চলিক ভিন্নতা আজিও আছে। এয়া ভাষা একোটাৰ বৈশিষ্ট্যও। সেই ভিন্নতা ক্ৰমাৎ হ্ৰাস পাই আহিছে। যোৱা আধা শতিকাৰ এনে ভিন্নতাৰ মাত্ৰালৈ চালেই অনুমান কৰিব পৰা যাব যোড়শ বা সপ্তদশ শতিকাত এই ভাষাটোৰ কিমান আঞ্চলিক ভিন্নতা আছিল। নামঘৰত শংকৰদেৱ আৰু মাধৱদেৱৰ সাহিত্যৰ পাঠ আৰু চৰ্চাই এই ভিন্নতাৰ ওপৰত সামন্তীয় সমৰূপতা আনি দিছিল। অসমীয়া জাতিটোৰ বীজটোৰো অংকুৰোদগম এনেকৈয়ে হৈছিল। শংকৰদেৱ এই অৰ্থতে অসমীয়া জাতিৰ জনক।

শংকৰদেৱৰে শিষ আছিল মহাপুৰুষ দামোদৰদেৱো। তেখেতে নিজে কিবা সাহিত্য ৰচনাৰ প্ৰমাণ পোৱা নাযায়। পাছলৈ নৱবৈষ্ণৱ ধৰ্মৰ এটা সুকীয়া পন্থাৰ গুৰি হৈ পৰা দামোদৰদেৱৰ শিষ্য ভট্টদেৱেহে কেইখনমান গ্ৰন্থ ৰচনা কৰিছিল। পিছে ভট্টদেৱৰ সাহিত্য বিশেষ প্ৰভাৱী হৈ নপৰিল। তথাপি ভাষিক সমৰূপতা প্ৰদানত ভট্টদেৱৰ সাহিত্যৰ অৰিহণাকো উপেক্ষা কৰা নাযায়। সাহিত্য ৰচনাৰ শক্তিশালী ধাৰাবাহিকতা পিছে শংকৰ-মাধৱদেৱ পন্থতহে থকা, দুয়োৰে শিষ্য-প্ৰশিষ্য-তস্য-শিষ্যসকলেও ধাৰাবাহিকভাৱে সাহিত্য ৰচনা কৰি থকাত 'অসমীয়া ভাষা'ই বিশাল পৰিমাণৰ সাহিত্য লাভ কৰিলে। অসমীয়া জাতি অধিক সমৃদ্ধ হ'ল।

## সাংস্কৃতিক সমৰূপতা

কোচ/কমতা, কামৰূপ আৰু আহোম ৰাজ্যৰ বাসিন্দাৰ নৃগোষ্ঠীয় ভিন্নতা আছিল। সুকীয়া পৰিক্ষেত্ৰত, পৰস্পৰ বিচ্ছিন্ন হৈ থকাত এই ভিন্ন নৃগোষ্ঠীবোৰৰ মাজত সাংস্কৃতিক ভিন্নতাও আছিল। এয়াও জাতি একোটাৰ বৈশিষ্ট্যই। কিন্তু শংকৰদেৱৰ সাংস্কৃতিক অভিযানে এই তিনিওখন ৰাজ্যৰে বাসিন্দাৰ মাজত এটা সাংস্কৃতিক সমৰূপতা আনিলে। এই সমৰূপতাই হ'ল 'অসমীয়া জাতি'ৰ আধাৰভূমি।

মহাপুৰুষগৰাকীয়ে তেখেতৰ ধৰ্মমত প্ৰচাৰৰ বাবে কিছুমান সাংস্কৃতিক উপাদান ব্যৱহাৰ কৰিছিল। প্ৰসংগ গায়ন, বৰগীত, ভাওনা আৰু নৃত্য আছিল সেই উপাদান। নামঘৰবোৰৰ মজিয়াবোৰ আছিল এই উপাদানবোৰৰ চৰ্চাৰ থলী। একেই ধৰণে প্ৰসংগ কৰাৰ, একেই ধৰণে বৰগীত গোৱা, একেই ধৰণে ভাও পতাৰ জৰিয়তে যোড়শ-সপ্তদশ শতিকাৰ 'অসমীয়া'ৰ মন একেটা সাংস্কৃতিক সূত্ৰত বান্ধ খাবলৈ আৰম্ভ কৰিছিল। এই বান্ধোনেই অসমীয়া জাতীয় সংস্কৃতিৰ আধাৰ ভূমি। অসমত অকল নৱবৈষ্ণৱ ধৰ্মপন্থানুগামীয়েই নাই; ইয়াত শাক্ত-শৈৱ সকলো আছে। বৈষ্ণৱ ধৰ্মপন্থাৰেই কেইবাটাও মতাৱলম্বী ইয়াত আছে। আনহাতে চতুৰ্দশ শতাব্দীৰ পৰাই আহিবলৈ ধৰা ইছলামধৰ্মীসকলৰ সংখ্যাও সপ্তদশ শতিকাৰ শেষলৈ বুজন হৈ উঠিছিল। তেওঁলোকৰো এখন পৃথক সমাজ গঠন হৈ উঠিছিল। তাৰ পাছতো অসমীয়া জাতিৰ সাংস্কৃতিক আধাৰ বিচাৰিলে তাৰ মূল শংকৰদেৱৰ নামঘৰ/সত্ৰতে পোৱা যায়। এই কথা লক্ষ্য কৰিয়েই সপ্তদশ শতিকাৰ যোদ্ধা লেখক চিহাবুদ্দিন তালিচে কৈছিল 'এই দেশ'ৰ মুছলমানসকল নামতহে মুছলমান। বাগদাদৰ পৰা শ্বাহ মিৰান 'এই দেশ'লৈ আহিছিল ইয়াৰ মুছলমানসকলক ইছলামৰ শুদ্ধ পথত দীক্ষিত কৰিবলৈকে। পিছে তেখেত নিজেই ইয়াৰ বৈষ্ণৱ সংস্কৃতিৰ দ্বাৰা প্ৰভাৱিত হ'ল আৰু থলুৱা সুৰত জিকিৰবোৰ ৰচনা কৰিলে।

এই প্ৰভাৱ সৰ্বগ্ৰাসী আৰু সুদূৰপ্ৰসাৰী হৈয়ো স্বেচ্ছা গ্ৰহণমূলক। ইয়াৰ কাৰণ, অন্যান্য ধৰ্মপন্থত হোৱাৰ দৰে শংকৰদেৱৰ ধৰ্মপন্থত 'দীক্ষা' দিয়াৰ ৰীতি নাই, ইয়াত 'শৰণ'হে চলে। শৰণ দাতা আৰু গ্ৰহীতাৰ মাজত, শৰাইত থাকে চাৰি শাস্ত্ৰৰ এখন। প্ৰকৃততে শৰণ গ্ৰহীতাই এই চাৰিশাস্ত্ৰতহে শৰণ লয়—শৰণদাতাজন ইয়াত মাৰ্গদৰ্শক মাথোঁ। এই চাৰিশাস্ত্ৰ হ'ল নৱবৈষ্ণৱ ধৰ্মৰ বন্দনীয় 'কৃষ্ণ'ৰ প্ৰতীক। এক কৃষ্ণৰ শৰণাগত হিচাপে সকলো শৰণীয়াই ভাতৃ-সম্বন্ধত বান্ধ খায়; সেয়ে সমাজৰ সকলোৱেই ভাই ভাই। এই ভাই ভাইবোধ অসমীয়া জাতিৰ সামাজিক আধাৰ। এনেদৰেই সাংস্কৃতিক আৰু সামাজিকভাৱেও শংকৰদেৱ অসমীয়া জাতিৰ জনক।

## অসমীয়া সমাজ

মহাপুৰুষ শংকৰদেৱে 'অসমীয়া সমাজ' গঠন কৰা নাছিল। তেখেতে এটা ধৰ্মপন্থ প্ৰচাৰ কৰিছিল আৰু এই ধৰ্মপন্থটোৰ চৰ্চাকেন্দ্ৰ বা উপাসনাস্থলী হিচাপে নামঘৰৰ পৰিকল্পনা কৰিছিল; নাট-গীত-ভাওনা সৃষ্টি কৰিছিল। এই প্ৰাথমিক কথাখিনি মনত ৰাখিহে আমি মহাপুৰুষজনাৰ কামৰ মূল্যায়ন কৰিব লাগে। আৰু এই পথতে আমি মহাপুৰুষগৰাকীৰ বিশাল সামাজিক-সাংস্কৃতিক আৰু ভাষিক ভূমিকাটো লগ পাওঁ। মহাপুৰুষগৰাকীতকৈ তেখেতৰ সৃষ্টি বেছি মহৎ (ৰবীন্দ্ৰনাথে অন্য প্ৰসংগত কোৱা 'তোমাৰ কীৰ্তিৰ চেয়ে তুমি যে মহৎ'-ৰ বিপৰীত!) এই মহত্ত্ব তেখেতে অসমীয়া সমাজক, অসমীয়া জাতিক প্ৰদান কৰিছিল। সাম্য-মৈত্ৰীৰ আধাৰত তেখেতে গঢ়ি তোলা ধৰ্মপন্থাটোৰ বাবেই অসমীয়া জাতি-অসমীয়া সমাজ সাম্য মনোভাবাপন্ন। যোড়শ শতিকাৰ শেষত জন্ম হ'বলৈ ধৰা এই সাম্য মনোভাবাপন্ন সমাজখন তথা জাতিটো ঊনবিংশ শতিকালৈ ডাল-পাত মেলি জাতিস্কাৰ হৈ উঠিছিল। মানৰ আক্ৰমণ আৰু সেই সুৰুঙাৰে ব্ৰিটিছৰ আগমন নহ'লে, আৰু আধুনিকতাই অনা ব্যাপক প্ৰব্ৰজন হজম কৰিবলগীয়া নহ'লে, এটা স্বাভাৱিক গতিত অসমীয়া জাতি আৰু সমাজ গঢ়ি উঠিলেহেঁতেন বুলি ক'ব পাৰি। সেই কামটো সম্পূৰ্ণ নহ'ল বাবেই অসমীয়া জাতি-সমাজত কিছুমান বিসংগতি সৃষ্টি হ'ল। এই বিসংগতি দিনকদিনে বাঢ়িহে আহিছে—কাৰণ অসমীয়া জাতি-সমাজ ৰাজনৈতিক আৰু ধৰ্মীয়ভাৱে উত্তৰ ভাৰতীয় ধৰ্মান্ধতাৰ দ্বাৰা প্ৰভাৱিত হ'বলৈ ধৰিছে। 'অসমীয়া মানুহ' ধাৰ্মিক আৰু ধৰ্মনিষ্ঠ আছিল, ধৰ্মান্ধ নাছিল। ধৰ্মান্ধতাই অসমীয়া জাতি-সমাজ বচাব নোৱাৰে।

## উপসংহাৰ

যথেষ্ট পৰিমাণৰ প্ৰত্যক্ষ আৰু পৰোক্ষ জনজাতীয় উপাদানৰ অস্তিত্ব স্বীকাৰ কৰিও ক'বলগীয়া হয় যে 'অসমীয়া' হ'ল নামঘৰৰ মজিয়াত উদ্ভৱ হোৱা জাতি। ভাৰতবৰ্ষৰ এচুকত পৰি থকা যিটো ভূখণ্ডৰ নামেৰে 'অসমীয়া' বুলি জাতি এটাৰ পৰিচয় দিয়া হয়, সেই জাতিটোৰ সমাজখন, অৰ্থাৎ 'অসমীয়া সমাজ'খন শংকৰদেৱৰ সৃষ্টিকৰ্মৰেই আৰম্ভ হোৱা। সেইবাবেই তেখেত অসমীয়া জাতিৰ জনক।

ফোন ঃ ৮৬৩৮৪৫৮৭৪৮